পৰিচিতি পুস্তিকা ২০২০-২১ চন

# PROSPECTUS

## 2020-21



Chandra Kamal Bezbaruah

চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়,
টীয়ক, জগদুৱাৰ

**CHANDRA KAMAL BEZBARUA COLLEGE, TEOK, JOGDUAR**



# অধ্যক্ষৰ মেজৰ পৰা




অবিভক্ত শিৱসাগৰ জিলাৰ জাঁজীৰ পৰা কাকজান আৰু নগা পাহাৰৰ পাদদেশৰ পৰা জাঁজীমুখলৈকে সামৰি এই বৃহৎ গ্ৰাম্যাঞ্চলটিৰ ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চ শিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠান চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কে ইতিমধ্যে ইয়াৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। ১৯৫৯ চনতে টীয়কৰ কিছুসংখ্যক বিদ্যানুৰাগী ব্যক্তি আৰু যোৰহাটৰ বিশিষ্ট চাহ খেতিয়ক প্ৰয়াত চন্দ্ৰকমল বেজবৰুৱা পৰিয়ালৰ বদান্যতাত প্ৰাণ পাই উঠা এই মহাবিদ্যালখনে ইতিমধ্যে ৰাজ্যখনৰ এক অন্যতম উচ্চ শিক্ষানুষ্ঠানৰূপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে।

ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ (NAAC)ৰ দ্বাৰা স্বীকৃত আৰু প্ৰত্যায়িত এই শিক্ষানুষ্ঠানখনে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ স্নাতক কলা আৰু বাণিজ্য শাখাৰ পাঠ্যক্ৰমৰ লগতে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনত উচ্চতৰ মাধ্যমিক কলা আৰু বাণিজ্য পাঠ্যক্ৰমবোৰ অধ্যয়নৰ সুবিধা প্ৰদান কৰিছে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি কেইবাটিও বৃত্তিমুখী পাঠ্যক্ৰমত অধ্যয়নৰ সুবিধাও প্ৰদান কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীন বিকাশৰ বাবে খেলা-ধূলা, সাংস্কৃতিক, সুকুমাৰ কলা আদি সহ-পাঠ্যক্ৰমিক বিষয়বোৰৰ প্ৰতিও শিক্ষানুষ্ঠানখনে শৈক্ষিক পাঠ্যক্ৰমৰ সমানেই গুৰুত্ব প্ৰদান কৰি আহিছে।

২০২০-২১ বৰ্ষৰ নতুন শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে মহাবিদ্যালয়খনে এই পৰিচিতি-পুস্তিকাখনি প্ৰকাশ কৰিবলৈ লোৱা প্ৰচেষ্টাৰ বাবে সুখ অনুভৱ কৰিছোঁ আৰু মহাবিদ্যালয়খনিত অধ্যয়নৰ বাবে আগ বাঢ়ি অহা নবাগত ছাত্ৰ-ছাত্ৰীসকলক চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়ক পৰিয়ালৰ হৈ স্বাগতম জনাইছোঁ। আশা কৰোঁ নবাগত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ভৱিষ্যৎ জীৱনৰ সোণালী বাটৰ সন্ধান লাভ কৰি নিজৰ লগতে আমাৰ মহাবিদ্যালয়খনলৈকো গৌৰৱ কঢ়িয়াই আনক।

সকলোলৈকে শুভেচ্ছাৰে ...

বিজয় কৃষ্ণ পাচনী

(বিজয় কৃষ্ণ পাচনী)
অধ্যক্ষ
চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়

PROSPECTUS : 2020-21



## অৱস্থিতি ঃ

যোৰহাট চহৰৰ পৰা ২৫ কিলোমিটাৰ পূৱে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিতে চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ অৱস্থিতি। 'টীয়ক' শব্দটো টাই ভাষাৰপৰা আহিছে, যাৰ অৰ্থ হ'ল গাখীৰ আৰু ঘিউৰ পৰ্যাপ্ততা। অঞ্চলটো মূলতঃ ক্ষুদ্ৰ কৃষিজীৱী জনসাধাৰণ আৰু চাহ-বাগিচাৰ বনুৱাসকলৰ প্ৰধান বসতিস্থল। মহাবিদ্যালয়ৰ দাঁতিকাষৰীয়া এক বৃহৎ অংশৰ জনসমষ্টি অনুসূচীত জাতি আৰু ভৈয়াম জনজাতীয় (মিচিং সম্প্ৰদায়) লোক। শিৱসাগৰ আৰু যোৰহাটৰ পৰা প্ৰায় সমদূৰত্বত টীয়কৰ অৱস্থিতি। দুয়োখন প্ৰধান চহৰৰ পৰাই টীয়কলৈ বাছ পৰিবহণৰ সু-ব্যৱস্থা আছে। মহাবিদ্যালয়খনক তিনিও দিশৰ পৰা চাহ-বাগিচাই আৱৰি আছে। মহাবিদ্যালয়ৰ মুঠ মাটিকালি প্ৰায় ১০০ বিঘা (৩৩.৩৩ একৰ)। ইয়াৰে প্ৰায় ৩৫ শতাংশ মাটিত মূল্যৱান গছ-গছনি আছে। মহাবিদ্যালয়ৰ প্ৰাকৃতিক পৰিৱেশ এক আশ্ৰমৰ দৰেই।

## উদ্দেশ্য আৰু লক্ষ্য ঃ

**চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়ক প্ৰতিষ্ঠাৰ মূল উদ্দেশ্য হ'ল বৃহত্তৰ টীয়ক অঞ্চলৰ অৰ্থনৈতিকভাৱে পিছপৰা, আধুনিক শিক্ষাৰ সা-সুবিধাৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চশিক্ষা সহজলভ্য কৰি তোলা আৰু এই ছাত্ৰ-ছাত্ৰীসকলক নাগৰিক সমাজৰ একোজন সন্মানীয় ব্যক্তিৰূপে গঢ়ি তুলিবলৈ তেওঁলোকৰ মাজত নিয়মানুৱৰ্তিতা নিয়ন্ত্ৰিত ৰূপত প্ৰচলন কৰা। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক সমাজৰ একোজন দায়বদ্ধ নাগৰিকৰূপে গঢ়ি তুলি সমাজৰ সামগ্ৰিক কল্যাণ নিশ্চিত কৰাটো চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ প্ৰতিষ্ঠাৰ অন্যতম উদ্দেশ্য।**

**চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ একমাত্ৰ লক্ষ্য হ'ল শিক্ষানুষ্ঠানখনক উৎকৃষ্টতাৰ কেন্দ্ৰৰূপে প্ৰতিষ্ঠা কৰা। ইয়াৰ বাবে প্ৰয়োজনীয় পূৰ্বচৰ্ত হিচাপে শৈক্ষিক মান উত্তৰণৰ উপযোগী হোৱাকৈ পাঠ্যক্ৰম আৰু শিক্ষাদান প্ৰক্ৰিয়াত উৎসৰ্গীকৃত মনোভাবেৰে ধাৰাবাহিক উত্তৰণ নিশ্চিত কৰা; যাৰ জৰিয়তে ছাত্ৰ সমাজৰ আৰু স্থানীয় ৰাইজৰ প্ৰত্যাশা পূৰণ কৰিব পৰা যায়।**

## আন্তঃগাঁথনি আৰু সম্পদৰাজি ঃ

যোৰহাট নগৰৰ পৰা ২৫ কিলোমিটাৰ পূৱে অৱস্থিত গ্ৰামাঞ্চলৰ এক আশ্ৰমসদৃশ চৌহদেৰে পৰিবেষ্টিত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ গাতে লাগি থকা চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ প্ৰাকৃতিক সৌন্দৰ্য অতিকে মনোমোহা। চৌহদটোৰ চাৰিওকাশ গছ-গছনিৰে সুশোভিত, প্ৰদূষণমুক্ত আৰু সঁচা অৰ্থত এক আশ্ৰমৰ দৰেই। গ্ৰামাঞ্চলত অৱস্থিত হ'লেও মহাবিদ্যালয়খনত উপলব্ধ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰয়োজনীয় সা-সুবিধাবোৰ যিকোনো চহৰাঞ্চলৰ শিক্ষানুষ্ঠানতকৈ কোনো গুণেই কম নহয়।






## মহাবিদ্যালয়ৰ আন্তঃগাঁথনি আৰু সম্পদৰাজি ঃ এক চমু অৱলোকন

**মহাবিদ্যালয়ৰ মুঠ নির্মীয়মান এলেকাৰ পৰিমাণ ঃ ৩৫.০০০ বর্গফুট**

ইয়াত অন্তৰ্ভুক্ত হৈ আছে ঃ

ক) মহাবিদ্যালয়ৰ মুঠ শ্রেণীকোঠা ঃ ৩৬টা
খ) কেন্দ্ৰীয় পুথিভঁৰাল ঃ ০১টা
গ) ছাত্র-ছাত্রীৰ জিৰণি কোঠা ঃ ০২টা
ঘ) ৰাষ্ট্ৰীয় পৰ্যায়ৰ ইনড'ৰ ষ্টেডিয়াম ঃ ০১টা
ঙ) ছাত্ৰীনিবাস ঃ ০১টা
চ) ছাত্ৰ নিবাস ঃ ০১টা
ছ) বিশুদ্ধ খোৱা পানীৰ সু-ব্যৱস্থা
জ) কেন্টিন ঃ ০২খন
ঝ ) খেলপথাৰ ঃ ০১খন
ঞ ) শিক্ষকৰ জিৰণি কোঠা ঃ ০১টা
ট) ছাত্র-ছাত্রীৰ বাবে চাইকেল ৰখা ঠাইৰ সু-ব্যৱস্থা
ঠ) শিক্ষকৰ বাবে বাহন ৰখা ঠাইৰ সু-ব্যৱস্থা
ড) প্ৰেক্ষাগৃহ ঃ ০১টা
ঢ ) ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা প্ৰেক্ষাগৃহ (নিৰ্মীয়মান)
ণ) কম্পিউটাৰ কেন্দ্ৰ ঃ ০১টা
ত) প্ৰশাসনিক ভৱন ঃ ০১টা
থ) শীত-তাপ নিয়ন্ত্ৰিত আলোচনা কক্ষ ঃ ০১টা
দ) ডিজিটেল শ্ৰেণীকোঠা ঃ ০৮টা
ধ) সোণালী জয়ন্তী স্মাৰক ভৱন (শীত-তাপ নিয়ন্ত্ৰিত) ঃ ০১টা
ন) পুনাৰাম গগৈ সোঁৱৰণী সংগ্ৰহালয় আৰু গৱেষণা প্ৰতিষ্ঠান।

মাহৰ প্ৰতি চতুৰ্থ শনিবাৰে ছাত্র-ছাত্রীসকলৰ ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক প্ৰতিভা বিকাশৰ বাবে অভিজ্ঞ সমল ব্যক্তি ৰ দ্বাৰা বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা।

# পাঠ্যক্রমসমূহ

## উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ পাঠ্যক্ৰম

**অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা অনুমোদিত কলা আৰু বাণিজ্য শাখাত অধ্যয়নৰ সুবিধা আছে।**

### কলা শাখাৰ পাঠ্যক্ৰম ঃ

(ক) বাধ্যতামূলক বিষয় ঃ ১) ইংৰাজী,
২) আধুনিক ভাৰতীয় ভাষা (অসমীয়া), ঐচ্ছিক ইংৰাজী

(খ) নিম্নোক্ত যিকোনো ৩/৪ টা বিষয় বাছনি কৰিব পাৰিব ঃ
(১) অৰ্থনীতি, (২) ৰাজনীতি বিজ্ঞান, (৩) শিক্ষাতত্ত্ব, (৪) বুৰঞ্জী,
(৫) সমাজতত্ত্ব, (৬) ঐচ্ছিক অসমীয়া, (৭) অংকশাস্ত্ৰ।

### বাণিজ্য শাখাৰ পাঠ্যক্ৰম ঃ

(ক) বাধ্যতামূলক বিষয় ঃ
(১) ইংৰাজী,
(২) আধুনিক ভাৰতীয় ভাষা (অসমীয়া), ঐচ্ছিক ইংৰাজী,
(৩) ব্যৱসায় অধ্যয়ন,
(৪) একাউণ্টেন্সি

খ) নিম্নোক্ত যিকোনো দুটা বিষয় বাছনি কৰিব পাৰিব ঃ
(১) বাণিজ্যিক গণিত আৰু পৰিসংখ্যা।, (২) অৰ্থনীতি, (৩) গণিত

## স্নাতক শ্ৰেণীৰ পাঠ্যক্ৰম (ষষ্ঠ ষাণ্মাসিক স্নাতক পাঠ্যক্ৰম)

**ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুমোদিত স্নাতক কলা আৰু বাণিজ্য শাখাত মহাবিদ্যালয়ত অধ্যয়নৰ সুবিধা আছে।**

### স্নাতক কলা শাখাৰ সাধাৰণ পাঠ্যক্ৰম ঃ

বাধ্যতামূলক বিষয় ঃ
(১) সাধাৰণ ইংৰাজী,
(২) আধুনিক ভাৰতীয় ভাষা(অসমীয়া) / ঐচ্ছিক ইংৰাজী,
(৩) কম্পিউটাৰ জ্ঞান /কমিউনিকেটিভ ইংৰাজী (তৃতীয় ষাণ্মাসিক),
(৪) পৰিৱেশ অধ্যয়ন (চতুৰ্থ ষাণ্মাসিক),
(৫) মাল্টিডিচিপ্লিনেৰী (চতুৰ্থ ষাণ্মাসিক),
(৬) দক্ষতাভিত্তিক শিক্ষণীয় বিষয় (পঞ্চম আৰু ষষ্ঠ ষাণ্মাসিক)।







## স্নাতক কলা শাখাৰ ঐচ্ছিক বিষয়সমূহ

**যিকোনো দুটা বিষয় বাছনি কৰিব পাৰিব ঃ**

(১) অৰ্থনীতি, (২) ৰাজনীতি বিজ্ঞান,
(৩) সমাজতত্ত্ব, (৪) শিক্ষাতত্ত্ব, (৫) বুৰঞ্জী।

**স্নাতক কলা শাখাৰ**

## Honors পাঠ্যক্রমৰ বিষয়সমূহ

(১) ইংৰাজী, (২) অসমীয়া, (৩) অৰ্থনীতি,
(৪) ৰাজনীতি বিজ্ঞান, (৫) সমাজতত্ত্ব,
(৬) শিক্ষাতত্ত্ব, (৭) বুৰঞ্জী।

## ঐচ্ছিক বিষয়সমূহ

**যিকোনো এটা বিষয় বাছনি কৰিব পাৰিব ঃ**

(১) অৰ্থনীতি, (২) ৰাজনীতি বিজ্ঞান,
(৩) সমাজতত্ত্ব, (৪) শিক্ষাতত্ত্ব, (৫) বুৰঞ্জী।

## Honors পাঠ্যক্রমৰ আসনৰ সংখ্যা

| | |
|---|---|
| (ক) ইংৰাজী | ৫০ খন |
| (খ) অসমীয়া | ১০০ খন |
| (গ) ৰাজনীতি বিজ্ঞান | ৮০ খন |
| (ঘ) অৰ্থনীতি | ৫০ খন |
| (ঙ) শিক্ষাতত্ত্ব | ৮০ খন |
| (চ) বুৰঞ্জী | ৫০ খন |
| (ছ) সমাজতত্ত্ব | ৮০খন |
| (জ) B.COM Honors | ২৫০ খন |

## Diploma Course (3rd Sem)

| | |
|---|---|
| Retail Management | 50 |
| Skin Care | 50 |
| Food Processing | 40 |
| Plumburing & Bathroom fittings | 50 |
| Cutting Tailoring | 50 |
| TV Repair Technician | 50 |

## Diploma in Horticulture 300

**5th & 6th Sem )**

**Compulsory for all students**

# CBCS IN A NUTSHELL

a) **CBCS:** CBCS means Choice Based Credit System. Choice Based Credit System is a flexible system of learning. 'Credif defines the quantum of contents/ syllabus prescribed for a course and determines the number of hours of instruction required. This system permits students to-

- learn at their own pace
- choose electives from a wide range of Elective Courses offered for the programme
- undergo additional courses and acquire more than the required number of credits
- adopt an inter-disciplinary approach in learning
- make best use of the expertise of available faculty.

b) **Credit:** 'Credit' defines the quantum of contents/ syllabus prescribed for a course and determines the number of hours of instruction required per week. Thus, normally in each of the course, credits will be assigned on the basis of the number of lectures/ tutorials/ laboratory work and other forms of learning required to complete the course contents in a 14-15 week schedule:

i) 1 Lecture per week = 1 Hour duration per week = 1 Credit
ii) 1 Tutorial per week = 1 Hour duration per week = 1 Credit
iii) 1 Practical per week = 2 Hours duration per week = 1 Credit

# B.A. HONORS

| Course | Theory + Practical | Credits (Theory + Tutorial |
|---|---|---|
| **I. Core Course (6 Credits) (14 Courses)**<br>Core Course Practical / Tutorial* | **14 X (4+2)=84** | **14 X (5+1)=84** |
| **II. Elective Course (6 Credits) (8 Courses)**<br>A.1. Discipline Specific Elective (4 Courses)<br>Discipline Specific Elective – Practical/ Tutorial* | **4X (4+2) =24** | **4X (5+1) =24** |
| B.1. Generic Elective/ Interdisciplinary (4 Courses)<br>B.2. Generic Elective – Practical/ Tutorial* | **4X (4+2)= 24** | **4X (5+1)= 24** |

**III. Ability Enhancement Courses**

| AECC | | SEC | |
|---|---|---|---|
| Course Title | Credit | Course Title | Credit |
| Environmental Science (2+2) | 2 | SEC I | 4 |
| Communicative English | 2 | | |
| MIL/ Communicative Hindi/ Alternative English | 2 | | |
| Total = | 6 Credit | Total = | 4 Credit |

## Total Credit Structure (Minimum)

| Core | DSE | GE | AECC | SEC | Total |
|---|---|---|---|---|---|
| 14 Courses of 4 Credit | 4 Courses of 6 Credit | 4 Courses of 6 Credit | 3 Courses of 2 Credit | 1 Subject of 4 Credits (2 Credit in each courses) | 26 Courses |
| 84 | 24 | 24 | 6 | 4 | 142 |

* Optional Dissertation or project work in place of one Discipline Specific Elective. Course (6 credits) in 6th Semester.

Note : * Institute will evolve a system/policy about ECA/General Interest/Hobby/Sports/NCC/NSS/related courses on its own.

** Wherever there is a practical there will be no tutorial and vice-versa.

*** For further details visit ***dibru.ac.in***

# GRADING SYSTEM

1. The absolute grading system shall be applied in evaluating performance of the students.

| Letter Grade with meaning | | Grade Point |
|---|---|---|
| O | Outstanding | 10 (Marks securing above 90%) |
| A+ | Excellent | 9 (Marks securing 80%-90%) |
| A | Very Good | 8(Marks securing 70% -80%) |
| B+ | Good | 7(Marks securing 60% -70%) |
| B | Above Average | 6(Marks securing 50% -60%) |
| P | Pass | 4 (Marks securing 40% -50%) |
| F | Fail | 0(Marks securing below 40%) |
| Abs | Absent/ Incomplete | 0 |

* Exclusive Class Interval technique shall be followed in calculation of Grade Point.

### STRUCTURE OF B.COM(HONS) COURSE UNDER CHOICE BASED CREDIT SYSTEM (CBCS)

| Semester | Course | Course Code | Title | Credit | Remarks |
|---|---|---|---|---|---|
| I | Core | C 101 | Finaceial Accourding | 6 | Compulsory |
| | | C 102 | Business Law | 6 | |
| | Generic Elective | G 101 | Micro Economics | 6 | Compulsory |
| | Ability Enhancement | AE 101 | Communication English | 2 | Compulsory |
| | | AE 102 | MIL / Communative Hindi / Alternative English | 2 | Compulsory |
| Total Credit | | | | 22 | Compulsory |

## H.S 1ST YEAR (COMMERCE)

1. English
2. MIL/Alt
3. Accountancy
4. Business Studies
5. Econmocis
6. Commercial Mathematics and Statistics (CMS) / Mathematics

## শিক্ষাদানৰ মাধ্যম ঃ

অসমীয়া আৰু ইংৰাজী এই দুয়োটা মাধ্যমতে শিক্ষাদানৰ ব্যৱস্থা আছে।

## বৃত্তিমুখী পাঠ্যক্ৰম ঃ

ছাত্ৰ-ছাত্ৰীৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ে নিম্নোক্ত বৃত্তিমুখী পাঠ্যক্ৰমসমূহ অধ্যয়নৰ ব্যৱস্থা কৰিছে। এই পাঠ্যক্ৰমসমূহৰ ব্যয় ছাত্ৰ-ছাত্ৰীসকলে নিজে বহন কৰিব লাগিব।

## বৃত্তিমুখী পাঠ্যক্ৰমসমূহ (দক্ষতাভিত্তিক তৃতীয় ষান্মাসিকৰ বাবে) ঃ

(১) **Retail Management**
(২) **Beautician & Skin Care Course**
(৩) **Food Prosessing & Preservation**
(৪) **Cutting & Tailoring**
(৫) **TV Repair Technician**
(৬) **Plumber & Bathroom Feeting Technician**



ড° বিনয়ব্ৰত ৰাজখোৱা, সমন্বয়ক
আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ
ম. ঃ ৮০১১১৫-৮১৭৫৬

### এবছৰীয়া ***Diploma*** পাঠ্যক্ৰম সমূহ

(১) **Computer Hardware and D.T.P. Operator. *(Diploma)* (5th Sem. & 6th Sem.)**
(২) **Piggery and Fishery Farming *(Diploma)* (5th Sem. & 6th Sem.)**
(৩) **Metal Fabrication *(Diploma)* (5th Sem. & 6th Sem.)**
(৪) **Diploma in Horticulture (Compulsory for 5th Sem. & 6th Sem.)** *( N.B কেৱল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে )*
(৫) **Plumber & Bathroom Feeting Technician (3rd Sem.)**
(৬) **TV Repair Technician (3rd Sem & 4th Sem)**

*(N.B* এবছৰীয়া *Diploma* পাঠ্যক্ৰম সমূহত উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ মহাবিদ্যালয়ৰ বাহিৰৰ ছাত্ৰ-ছাত্ৰীয়েও নাম ভৰ্ত্তি কৰিব পাৰিব )

## দুবছৰীয়া ডিপ্ল'মা পাঠ্যক্ৰম ঃ

(১) **Electrical Technician (3rd Sem. to 6th Sem.)**

(এই পাঠ্যক্ৰমত উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ মহাবিদ্যালয়ৰ বাহিৰৰ ছাত্ৰ-ছাত্ৰীয়েও নাম ভৰ্ত্তি কৰিব পাৰিব )

## আভ্যন্তৰিণ মান নিশ্চিতকৰণ কোষ (IQAC) ঃ

মহাবিদ্যালয়ৰ আভ্যন্তৰিন মান নিশ্চিতকৰণ কোষৰ অধীনত মহাবিদ্যালয়ৰ শৈক্ষিক তথা অন্যান্য বিষয়ত গুণগত মান পৰ্যবেক্ষণ আৰু নিশ্চিতকৰণ কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে সন্মুখীন হোৱা বিভিন্ন শৈক্ষিক সমস্যাসমূহ এই কোষৰ সমন্বয়কক অৱগত কৰি সমাধান কৰাৰ ব্যৱস্থা আছে। এই কোষটিয়ে ছাত্ৰ-ছাত্ৰীসকল আৰু মহাবিদ্যালয়ৰ প্ৰশাসনিক কৰ্তৃপক্ষৰ মাজত সমন্বয়কৰ ভূমিকা গ্ৰহণ কৰে।

## সাধাৰণ আৰু প্ৰশাসনিক নিয়মাৱলী ঃ

### (ক) নামভৰ্তিৰ নিয়মাৱলী ঃ

- নামভৰ্তি সম্পূৰ্ণৰূপে মেধাৰ ভিত্তিত কৰা হয়।
- মহাবিদ্যালয়ে নিৰ্ধাৰিত কৰি দিয়া নিৰ্দিষ্ট তাৰিখত ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তিৰ বাবে প্ৰ-পত্ৰ পূৰণ কৰি জমা দিয়া আৰু নামভৰ্তি কৰাটো বাধ্যতামূলক।
- নামভৰ্তিৰ বাবে প্ৰ-পত্ৰৰ সৈতে জমা দিব লগা প্ৰয়োজনীয় নথি-পত্ৰৰ প্ৰতিলিপিসমূহ হ'ল – শিক্ষান্ত পৰীক্ষাৰ উত্তীৰ্ণৰ প্ৰমাণপত্ৰ, নম্বৰ তালিকা, জাতিগত প্ৰমাণপত্ৰ আৰু বয়সৰ প্ৰমাণপত্ৰ ।
- মহাবিদ্যালয়ৰ নামভৰ্তিৰ জাননী স্থানীয় বাতৰি কাকত আৰু মহাবিদ্যালয়ৰ জাননী ফলকৰ জৰিয়তে দিয়া হয়।
- নামভৰ্তিৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে নিম্নোক্ত মূল নথি-পত্ৰসমূহৰ মূল প্ৰমাণ পত্ৰ লগত আনিব লাগিব –

Speciality

## মুঠ আসনৰ সংখ্যা ঃ

| | কলা | বাণিজ্য |
|---|---|---|
| উচ্চতৰ মাধ্যমিক | ২০০ | ১০০ |
| স্নাতক | ৪৯০ | ২৫০ |

## আসন সংৰক্ষণ ঃ

নামভৰ্তিৰ আসন সংৰক্ষণ অসম চৰকাৰৰ আৰক্ষণ নীতিৰ আধাৰত কৰা হয়। OBC/MOBC, ST/SC বিশেষভাৱে সক্ষম আদি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অসম চৰকাৰৰ আৰক্ষণ নীতিৰ আধাৰত নামভৰ্তিৰ ব্যৱস্থা আছে।



# ছাত্ৰ-ছাত্ৰীসকলে মানি চলিবলগা নিয়মাৱলী ঃ

## ১) ইউনিফৰ্ম

(i) মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে মহাবিদ্যালয় চৌহদত থকা অৱস্থাত আৰু ৰাজ্যখনৰ যিকোনো স্থানত মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰিবলৈ যাওঁতে মহাবিদ্যালয়ৰ নিৰ্ধাৰিত ইউনিফৰ্ম পৰিধান কৰাটো বাধ্যতামূলক।

(ii) ছাত্ৰৰ বাবে নিৰ্ধাৰিত ইউনিফৰ্ম

ফৰ্মেল ক'লা পেন্ট আৰু বগা চাৰ্ট। নেভি ব্লু চুয়েটাৰ অথবা ব্লেজাৰ।

(iii) ছাত্ৰীৰ বাবে নিৰ্ধাৰিত ইউনিফৰ্ম

নেভি ব্লু পাৰি দিয়া বগা মেখেলা-চাদৰ, নেভি ব্লু ব্লাউজ, নেভি ব্লু চুয়েটাৰ। বগা চালোৱাৰ আৰু নেভি ব্লু দোপাত্তাৰ সৈতে বগা কুৰ্তা।



**মহাবিদ্যালয়ত ছাত্ৰীসকলে লেগিংচ্ পৰিধান কৰাটো সম্পূৰ্ণৰূপে নিষিদ্ধ।**

## (২) শ্ৰেণীকোঠাত উপস্থিতিৰ নিয়মাৱলী ঃ

(i) চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলে মুঠ অনুষ্ঠিত শ্ৰেণীৰ ন্যূনতম ৭৫ শতাংশ উপস্থিত থকাটো বাধ্যতামূলক।

(ii) মুঠ অনুষ্ঠিত শ্ৰেণীৰ ৭৫ শতাংশতকৈ কম কিন্তু ৬০ শতাংশতকৈ অধিক শ্ৰেণীত উপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলে নন্ কলেজিয়েটৰ জৰিমনা দি পৰীক্ষাত বহাৰ অনুমতি পাব।

(iii) মুঠ অনুষ্ঠিত শ্ৰেণীৰ ৬০ শতাংশতকৈ কম শ্ৰেণীত উপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলক ডিচ্‌কলেজিয়েট হিচাপে গণ্য কৰা হ'ব।

## (৩) মাচুল জমা কৰাৰ নিয়ম ঃ

ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ত পৰিশোধ কৰিবলগীয়া যিকোনো ধৰণৰ মাচুল কাৰ্যালয়ৰ নিৰ্দিষ্ট কেচ কাউণ্টাৰত জমা দি ৰছিদ সংগ্ৰহ কৰাটো বাধ্যতামূলক।

## (৪ ) মহাবিদ্যালয় চৌহদৰ পৰিচ্ছন্নতা ৰক্ষা ঃ

ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয় চৌহদ আৰু শ্ৰেণীকোঠাৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা অক্ষুণ্ণ ৰখাটো বাধ্যতামূলক।

মহাবিদ্যালয়ৰ সম্পত্তি যিকোনো কাৰণত অনিষ্ট সাধন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত কঠোৰ অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

## (৫) ৰেগিং ঃ

ৰেগিং এক সামাজিক ব্যাধি।

মহাবিদ্যালয়ৰ চৌহদত ৰেগিং সম্পূৰ্ণৰূপে নিষিদ্ধ। ৰেগিঙৰ সৈতে জড়িত ছাত্ৰ-ছাত্ৰীৰ ওপৰত কঠোৰ অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

PROSPECTUS : 2020-21

## ৬) আভ্যন্তৰিণ মূল্যায়ন ঃ

ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ আভ্যন্তৰিণ মূল্যায়নৰ বাবে মহাবিদ্যালয়ে অনুষ্ঠিত কৰা Unit Test, Sessional Exam, Group Discussion, Seminar Presentation আদি শৈক্ষিক কাৰ্যসূচীত উপস্থিত থকাটো বাধ্যতামূলক।

## ৭) সম্প্ৰসাৰণমুখী কাৰ্যসূচীত অংশগ্ৰহণ ঃ

মহাবিদ্যালয় কৰ্তৃপক্ষই সময়ে সময়ে আয়োজন কৰা বিভিন্ন সম্প্ৰসাৰণমুখী কাৰ্যসূচীসমূহত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰাটো বাধ্যতামূলক আৰু এনে সক্ৰিয় অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰাই প্ৰতি বছৰে শ্ৰেষ্ঠ সমাজ সেৱক নিৰ্বাচিত কৰি পুৰস্কৃত কৰাৰ ব্যৱস্থা কৰা হয়।

## ৮) ধঁপাতমুক্ত মহাবিদ্যালয় ঃ

**চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়ক এখন ধঁপাতমুক্ত মহাবিদ্যালয় হিচাপে যোৰহাট জিলা প্ৰশাসনৰ দ্বাৰা স্বীকৃত শিক্ষানুষ্ঠান। মহাবিদ্যালয় চৌহদত যিকোনো ধৰণৰ ধঁপাতযুক্ত সামগ্ৰী সেৱন কৰাটো সম্পূৰ্ণৰূপে নিষিদ্ধ।**

## ৯) খেলা-ধূলাত অংশগ্ৰহণ ঃ

ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয় চৌহদত খেলা-ধূলাত অংশগ্ৰহণ কৰাটো আৰু মহাবিদ্যালয় সপ্তাহৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহত অংশগ্ৰহণ কৰাটো বাধ্যতামূলক। ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন খেলা-ধূলাৰ বাবে সংগঠিত ৰূপত দল গঠন কৰি বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ এক পৰিৱেশ ৰচনা কৰাত গুৰুত্ব দিয়াটো বাঞ্ছনীয়। খেলা-ধূলাত বিশেষভাৱে পাৰদৰ্শী ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া ভ্ৰমণৰ সুবিধা আছে। তেওঁলোকৰ ভ্ৰমণ ব্যয় মহাবিদ্যালয় কৰ্তৃপক্ষই বহন কৰে।



## ১০) পৰিচয় পত্ৰ ঃ

ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ পৰিচয় পত্ৰ (Identity Card) সকলোৰে দেখাকৈ পৰিধান কৰাটো বাধ্যতামূলক।

## ১১) গছপুলি ৰোপণ ঃ

ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তিৰ সময়ত একোটাকৈ গছপুলি ৰোপণৰ ফটো কৰ্তৃপক্ষৰ হাতত প্ৰদান কৰিলেহে বিনামূলীয়া নামভৰ্তিৰ সুবিধা গ্ৰহণ কৰিব পাৰিব।

# ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উপলব্ধ সা-সুবিধা ঃ



## ১) গ্ৰন্থাগাৰ ঃ

মহাবিদ্যালয়ৰ User-friendly কেন্দ্ৰীয় গ্ৰন্থাগাৰটি ১৮,০৫২ গ্ৰন্থৰে সমৃদ্ধ। ইয়াৰে সৈতে শেহতীয়া তথ্য-প্ৰযুক্তি সংলগ্ন কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে এই গ্ৰন্থাগাৰৰ পৰা অধ্যয়নৰ বাবে পাঠ্যপুথি আৰু প্ৰসংগ পুথি ধাৰে নি নিৰ্দিষ্ট সময়ত ঘূৰাই দিয়াৰ ব্যৱস্থা আছে। গ্ৰন্থাগাৰৰ লগত সংলগ্ন কৰা হৈছে ছাত্ৰ-শিক্ষক উভয়ৰে পৃথক অধ্যয়ন কক্ষ আৰু এটি সংগ্ৰহালয়। গ্ৰন্থাগাৰত ৰাষ্ট্ৰীয় আৰু আঞ্চলিক বাতৰি কাকত, আলোচনী আৰু বিভিন্ন শৈক্ষিক বিভাগবোৰৰ দ্বাৰা অনুমোদিত প্ৰসংগ আলোচনীৰ সুন্দৰ ব্যৱস্থা আছে।

## ২) কম্পিউটাৰ লেব ঃ



বিশ্বাবিদ্যালয়ে B.A/B.Com ষান্মাসিক ব্যৱস্থাত Computer Application বাধ্যতামূলক কৰাৰ পাছত মহাবিদ্যালয়ত সুন্দৰ কম্পিউটাৰ লেব ব্যৱস্থা গঢ়ি তোলা হৈছে। এই কম্পিউটাৰসমূহ শেহতীয়া Software আৰু Operating System ৰ দ্বাৰা সমৃদ্ধ।

## ৩) ছাত্ৰীবাস আৰু ছাত্ৰাবাস ঃ

মহাবিদ্যালয়ৰ শাৰদা বেজবৰুৱা সোঁৱৰণী ছাত্ৰী নিৱাসটি যাঠিগৰাকী ছাত্ৰী বসবাসৰ উপযোগী এটি সুন্দৰ ছাত্ৰী নিবাস। সম্পূৰ্ণ মেধাৰ ভিত্তিত ছাত্ৰী নিৱাসৰ আসন আৱণ্টন কৰা হয়। ছাত্ৰী নিৱাসৰ গাতে লাগি আছে আধীক্ষকৰ বাসভৱন। সুন্দৰ স্বচ্ছ চৌহদ, বিশুদ্ধ খোৱাপানী, উন্নতমানৰ খাদ্য, নিৰবচ্ছিন্ন নিৰবচ্ছিন্ন বিদ্যুৎ যোগান ব্যৱস্থা আৰু সুন্দৰ নিৰাপত্তা ব্যৱস্থাৰে পৰিৱেষ্টিত ছাত্ৰীবাসটো মহাবিদ্যালয়ৰ এক উল্লেখযোগ্য সম্পদ।






**মহাবিদ্যালয়ৰ চৌহদত সকলো সা-সুবিধাৰে সমৃদ্ধ এক সুবৃহৎ ছাত্ৰাবাস আছে আৰু মেধাৰ ভিত্তিত ছাত্ৰসকলক এই ছাত্ৰাবাসত থাকি শিক্ষা গ্ৰহণৰ সুযোগ প্ৰদান কৰা হয়।**

## ৪) Career Counselling And Personality Development Cell ঃ




মহাবিদ্যালয়ৰ Careeer Counselling আৰু Personality Development Cell টোৱে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেৰিয়াৰ সম্পৰ্কীয় বিভিন্ন কৰ্মশালা আয়োজনৰ জৰিয়তে তেওঁলোকৰ ব্যক্তিত্ব বিকাশৰ সকলো দিশৰ ওপৰত পৰামৰ্শ প্ৰদান আৰু Careeer সম্পৰ্কীয় প্ৰয়োজনীয় তথ্য যোগান ধৰি আহিছে।

## ৫) স্বাস্থ্য সেৱা ব্যৱস্থা ঃ

মহাবিদ্যালত প্ৰাথমিক স্বাস্থ্য সেৱাৰ (First Aid) ব্যৱস্থা সকলো সময়তে সাজু কৰি ৰখা হয়। Medical Cellৰ দ্বাৰা এই স্বাস্থ্য সেৱা ব্যৱস্থা তদাৰক কৰা হয়। নামভৰ্তিৰ পাছতে সকলো ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰিবলৈ স্বাস্থ্য সেৱা শিবিৰ প্ৰতিবছৰে আয়োজন কৰা হয়।

**ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক আকৰ্ষণীয় বিষয় হ'ল মহাবিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ বিনামূলীয়া স্বাস্থ্য-বীমা (Health Insurance)ৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে যিকোনো ধৰণৰ দুৰ্ঘটনা বা হঠাতে হোৱা শাৰীৰিক অৱনতিৰ বাবে প্ৰয়োজনীয় চিকিৎসা ব্যয়ৰ সুবিধা লাভ কৰিব পাৰিব।**

## ৬) Yoga And Meditation ঃ

মহাবিদ্যালয়ৰ Yoga আৰু Meditation কেন্দ্ৰই অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক নিয়মিতভাৱে যোগ আৰু প্ৰাণায়ামৰ শিক্ষা প্ৰদান কৰে।



## ৭) ছাত্ৰ-ছাত্ৰীসকলৰ বাবে জলপানি আৰু বঁটা-বাহনসমূহ ঃ

১) মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে আগ বঢ়োৱা সকলো ধৰণৰ জলপানি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰা হয়। তাৰ উপৰিও ST/SC, OBC/MOBC আৰু চাহ শ্ৰমিক ছাত্ৰ-ছাত্ৰীসকলৰ বাবে চৰকাৰে আগ বঢ়োৱা বৃত্তি আৰু জলপানি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা হয়।

২) বিভিন্ন শৈক্ষিক বিভাগসমূহে নিজাববীয়াকৈ বিভাগৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰে। শিক্ষক গোটৰ তৰফৰ পৰাও সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক নগদ ধন পুৰস্কাৰ হিচাপে আগ বঢ়োৱা হয়।

৩) মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক (কলা আৰু বাণিজ্য)গৰাকীলৈ মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষক আনন্দ শৰ্মাদেৱৰ সোঁৱৰণত তেখেতৰ পৰিয়ালৰ তৰফৰ পৰা আগ বঢ়োৱা বঁটা প্ৰতিবছৰে প্ৰতিষ্ঠা দিৱসৰ দিনা প্ৰদান কৰা হয়।

৪) শৈক্ষিক আৰু সহ-পাঠ্যক্ৰমিক ক্ষেত্ৰত বিশেষ পাৰদৰ্শী ছাত্ৰ-ছাত্ৰী সকলক প্ৰতিষ্ঠা দিৱসত সম্বৰ্ধনা জনোৱা হয়।

৫) শিক্ষক গোটে প্ৰয়াত শিক্ষক মাধুৰ্য বৰা সোঁৱৰণী বঁটা উচ্চতৰ মাধ্যমিক শ্ৰেণীত সৰ্বোচ্চ নম্বৰ প্ৰাপক ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰে।

৬) মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলক চৰকাৰী খৰচত বিনামূলীয়াকৈ শিক্ষামূলক ভ্ৰমণৰ সুবিধা প্ৰদান কৰা হয়।

৭) লটাৰী যোগে নিৰ্বাচিত মেধাসম্পন্ন কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয় কৰ্তৃপক্ষই ভ্ৰমণ বানচ প্ৰদান কৰাৰ ব্যৱস্থা আছে।



## ৮) Students' Aid Fund :

আৰ্থিকভাৱে পিছপৰা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিবলৈ মহাবিদ্যালয়ত ছাত্ৰ কল্যাণ পুঁজি গঠন কৰা হৈছে। শিক্ষকসকলে ব্যক্তিগতভাৱেও এই পুঁজিলৈ বৰঙণি আগ বঢ়ায়।



## ৯) Students' Union :

মহাবিদ্যালয়ত নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা ছাত্ৰ একতা সভা গঠন কৰা হয়। ছাত্ৰ একতা সভাৰ কাৰ্যকাল এবছৰীয়া। এই ছাত্ৰ একতা সভাই মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সমন্বয় ৰক্ষা কৰে।





## ১০) College Magazine And Journals :

মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'প্ৰবাহিনী' প্ৰতিবছৰে প্ৰকাশ কৰা হয়। য'ত ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য চৰ্চাৰ এক সুন্দৰ মঞ্চ প্ৰদান কৰা হয়। তদুপৰি প্ৰতিটো শৈক্ষক বিভাগে নিজাববীয়াকৈ আৰু নিয়মীয়াকৈ একোখন মুখপত্ৰ প্ৰতিবছৰে প্ৰকাশ কৰি আহিছে।

উল্লেখযোগ্য যে বুৰঞ্জী বিভাগে 'INDUS' শীৰ্ষক এখন 'Peer Reviewed Journal' নিয়মীয়াকৈ প্ৰকাশ কৰি আহিছে। গ্ৰন্থাগাৰৰ ফালৰ পৰাও হাতে লিখা আলোচনী 'যাত্ৰা' নিয়মীয়াকৈ প্ৰকাশ কৰা হয়।



## ১১) মহিলা কোষ ঃ

মহাবিদ্যালয়ৰ মহিলা কোষটিয়ে সক্ৰিয়ভাৱে মহাবিদ্যালয় চৌহদ আৰু দাঁতিকাষৰীয়া গাঁওসমূহত মহিলাৰ অধিকাৰ আৰু সুৰক্ষা সম্পৰ্কীয় সজাগতা সভা আৰু বিভিন্ন সম্প্ৰসাৰিত কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। মহাবিদ্যালয়ে প্ৰতিপালিত গাঁও হিচাপে গ্ৰহণ কৰা ঘোঁৰাচোৱা হাবি গাঁৱৰ মাতৃ কোষ হিচাপেও মহিলা কোষটিয়ে কাম কৰি আছে।






## ১২) NSS ঃ

মহাবিদ্যালয়ৰ NSS গোটে সক্ৰিয়ভাৱে সামাজিক উন্নয়নৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰে আৰু এই কাৰ্যসূচীবোৰত অভিজ্ঞ শিক্ষকৰ তত্বাৱধানত ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয় অংশগ্ৰহণ কৰে।

## ১৩) Red Ribbon Club ঃ

২০১০ চনতে Assam State AIDS Control Societyৰদ্বাৰা স্বীকৃত Red Ribbon Club-এ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আৰু মহাবিদ্যালয়ৰ দাঁতিকাষৰীয়া গাঁওবোৰত AIDS সম্পৰ্কীয় জন সজাগতা সৃষ্টিৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। তদুপৰি স্বেচ্ছামূলক ৰক্তদান শিবিৰ আয়োজনৰ জৰিয়তে Red Ribbon Club এ সক্ৰিয়ভাৱে কাম কৰি আছে।



## ১৪) ধঁপাত নিয়ন্ত্ৰণ কোষ ঃ

মহাবিদ্যালয়ৰ চৌহদ ধঁপাতমুক্ত কৰি ৰাখিবলৈ এই কোষটিয়ে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। তদুপৰি এই কোষটিয়ে জগদুৱাৰ গায়ন গাঁও আৰু আন তিনিখন নিকতৱৰ্তী গাঁও সম্পূৰ্ণ ধঁপাতমুক্ত গাঁও হিচাপে গঢ়ি তুলিবলৈ নিৰৱচ্ছিন্নভাৱে কাম কৰি আছে। এই কোষটিৰ নিৰন্তৰ প্ৰচেষ্টাৰ ফলশ্ৰুতিত মহাবিদ্যালয়খন জিলা প্ৰশাসনৰ দ্বাৰা ধঁপাতমুক্ত শিক্ষানুষ্ঠান হিচাপে স্বীকৃত হৈছে।






## ১৫) দুৰ্যোগ ব্যৱস্থাপনা কোষ ঃ

মহাবিদ্যালয়ৰ দুৰ্যোগ ব্যৱস্থাপনা কোষে মহাবিদ্যালয়, মহাবিদ্যালয়ৰ পালিত গাঁও আৰু দাঁতিকাষৰীয়া গাঁওসমূহত বিভিন্ন সজাগতামূলক শিবিৰ আৰু কৰ্মশালা অনুষ্ঠিত কৰি আহিছে।

## ১৬) Canteen ঃ

মহাবিদ্যালয়ত দুখন সুন্দৰ Canteen ৰ ব্যৱস্থা আছে আৰু এই Canteenত ৰেহাই মূল্যত ছাত্ৰ-ছাত্ৰীসকলক খাদ্য যোগানৰ ব্যৱস্থা আছে।



## ১৭) Remedial Teaching ঃ

নিয়মীয়া পাঠ্যক্ৰম অধ্যয়নত বিশেষ অসুবিধা পোৱা ছাত্ৰ-ছাত্ৰীসকল বিশেষকৈ ST/SC আৰু অন্যান্য পিছপৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে Remedial Teachingৰ জৰিয়তে বিশেষভাৱে শিক্ষাদানৰ সুবিধা আছে।





## ১৮) অভিভাৱকৰ সভা ঃ

প্ৰতিবছৰে নামভৰ্তিৰ পিছতে ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলৰ এখন সভা সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিত আয়োজন কৰা হয়। তদুপৰি শৈক্ষিক বিভাগবোৰেও নিয়মীয়াকৈ অভিভাৱক সভা আয়োজন কৰে।

## ১৯) দূৰ শিক্ষা পাঠ্যক্ৰমঃ

ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ দূৰ শিক্ষা পাঠ্যক্ৰমৰ অধীনত গঠন কৰা মহাবিদ্যালয়ৰ দূৰ শিক্ষা কেন্দ্ৰৰ দ্বাৰা আনুষ্ঠানিক উচ্চ শিক্ষাৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চ শিক্ষা লোৱাৰ পথ মুকলি কৰি দিয়া হৈছে। ইতিমধ্যে এই দূৰ শিক্ষা কেন্দ্ৰৰ অধীনত দুয়োখন বিশ্ববিদ্যালয়ৰ পৰা ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ডিগ্ৰী লৈ জীৱিকাৰ পথ লাভ কৰিবলৈ সক্ষম হৈছে।

# শিক্ষামূলক ভ্ৰমণ আৰু ক্ষেত্ৰ অধ্যয়ন ঃ

বিভিন্ন শৈক্ষিক বিভাগৰ দ্বাৰা প্ৰতিবছৰে বিভাগীয় ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শিক্ষামূলক ভ্ৰমণ আয়োজন কৰা হয়। এই ভ্ৰমণ ব্যয় সম্পূৰ্ণ ৰূপে মহাবিদ্যালয় কৰ্তৃপক্ষই বহন কৰে।

# মহাবিদ্যালয়ে ৰূপায়ণ কৰা বিভিন্ন শৈক্ষিক আৰু সামাজিক কাৰ্যসূচীসমূহ

## স্থানীয় বিদ্যালয়সমূহত পাঠদান ঃ

মহাবিদ্যালয়ৰ দাঁতিকাষৰীয়া উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মহাবিদ্যালয়ৰ শিক্ষকসকলে পাঠদান কৰি বিদ্যালয়সমূহৰ সৈতে মহাবিদ্যালয়খনৰ যোগসূত্ৰ ৰক্ষা কৰি আহিছে আৰু ইয়াৰ দ্বাৰা মহাবিদ্যালয়খনৰ সামাজিক দায়বদ্ধতাৰ দিশত এক নতুন মাত্ৰা প্ৰদান কৰিছে।

## চন্দ্ৰকমল বেজবৰুৱা স্মাৰক বক্তৃতা ঃ

২০০৫ চনৰ পৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি চন্দ্ৰকমল বেজবৰুৱা স্মাৰক বক্তৃতা প্ৰতিবছৰে অনুষ্ঠিত কৰি অহা হৈছে। এতিয়ালৈকে চতুৰ্দশ সংখ্যক বক্তৃতা অনুষ্ঠিত হৈ গৈছে।

## প্ৰতিপালিত গাঁও ঃ

মহাবিদ্যালয়ে ইয়াৰ দাঁতিকাষৰীয়া ঘোঁৰাচোৰা হাবি গাঁওখনক পালিত গাঁও হিচাপে নিৰ্বাচন কৰি এই গাঁওখনক সঁচা অৰ্থত এখন আদৰ্শ গাঁওৰূপে গঢ়ি তুলিবলৈ ধাৰাবাহিকভাৱে প্ৰচেষ্টা চলাই আহিছে। ইয়াৰ বাবে মহাবিদ্যালয়ৰ শিক্ষকসকলে বিভিন্ন বিষয়ৰ সমল ব্যক্তি বিশেষক সেই গাঁওখনলৈ নি আৰ্থ-সামাজিক আৰু স্বাস্থ্য সম্পৰ্কীয় বিষয়বোৰৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ এক পৰিৱেশ গঢ়ি তোলাৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

## প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চ ঃ

২০০৪ চনতে গঠিত চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ প্ৰাক্ত ন ছাত্ৰ-ছাত্ৰী মঞ্চই গঠন হোৱাৰ সময়ৰ পৰা মহাবিদ্যালয়ৰ বিভিন্ন শৈক্ষিক, সহ-শৈক্ষিক আৰু অন্যান্য উন্নয়নমূলক কাৰ্যসূচীত মহাবিদ্যালয় কৰ্তৃপক্ষক সহযোগিতা আগবঢ়াই আহিছে।

## সম্প্ৰসাৰণ কাৰ্যসূচী ঃ

সম্প্ৰসাৰণ কাৰ্যসূচীৰ অধীনত মহাবিদ্যালয়ৰ সকলো শৈক্ষিক বিভাগ আৰু কোষসমূহৰ দ্বাৰা সময়ে সময়ে স্বাস্থ্য সজাগতা, দুৰ্যোগ ব্যৱস্থাপনা, ক্ষুদ্ৰ সঞ্চয় সজাগতা, মহিলা সৱলীকৰণ, ডাইনী হত্যা আদি বিষয়ত সজাগতা সভা, কৰ্মশালা অনুষ্ঠিত কৰি আহিছে। তদুপৰি দাঁতিকাষৰীয়া গাঁওবোৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন কল্যাণমূলক আঁচনিবোৰৰ সম্পৰ্কে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰি আহিছে আৰু স্থানীয় আত্মসহায়ক গোটবোৰক সময়ে সময়ে দিহা-পৰামৰ্শ প্ৰদান কৰি আহিছে। স্থানীয় মহিলাসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'ব পৰাকৈ উদ্যমী কৰা আৰু বিকাশৰ বিভিন্ন সজাগতামূলক কৰ্মসূচীও মহাবিদ্যালয়ে সময়ে সময়ে ৰূপায়ণ কৰি আহিছে। ইয়াৰ জৰিয়তে মহাবিদ্যালয়খনে ইয়াৰ সামাজিক দায়বদ্ধতাৰ দিশটোত এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে বুলি ক'ব পাৰি।



# মহাবিদ্যালয়ৰ বিভিন্ন কোষসমূহ

| Name of the Cell/ Club/ Committee | Designation | Name of the Convenor | Cell No |
|---|---|---|---|
| NSS | Programme Officer | Jiban Baruah | 9707850635 |
| Women Cell | Secretary | Dr. Karabi Gogoi | 9435891233 |
| Indoor stadium Committee | Secretary | Dr. Abhijit Bhuyan | 9127056412 |
| Canteen Committee | Convener | Dr. Binaybrat Rajkhowa | 9706923409 |
| Website Committee | Convener | Dr. Abhijit Bhuyan | |
| Academic Calendar Committee | Co- ordinator | Dr. Binaybrat Rajkhowa | 9706923409 |
| Prospectus committee | Co- ordinator | Dr. Binoy Brot Rajkhowa | 9706923409 |
| Research Committee | Co-ordinator | Dr. Deba Borah<br>Dr. Bikash Nath | |
| Distance Education (Dibrugarh University) | Co -ordinator | Mr. Dhrubajyoti Borah | 7578007054 |
| Personality Development and placement cell | Co-ordinator | Mrs. Gita Sharma | 9435204111 |
| Information Technology | Co-ordinator | Dr. Abhijit Bhuyan | 9127056412 |
| Diploma Course in electrical technician | Co-ordinator | Dr. Abhijit Bhuyan | 9127056412 |
| Alumni Association | Jt. Secretary | Mr. Sunil Kr. Bhattacharya<br>Mr.Diganta Bora | 9435234872 |
| Site Selection Committee | Convenor | Dr. Binoy Brot Rajkhowa | 9706923409 |
| Planning, Purchasing and Monitoring Committee | Secretary | Dr. Debananda Boruah | |
| Campus Development and Room Arrangement Committee | Convenor | Dr. Junti Baruah | 9954939439 |
| Animal Husbandary and Dairy Farming Committee | Convenor | Mr. Dhrubajyoti Bora | 7578007054 |
| Skill Enhancement and Entrepreneurship Development Cell | Convenor | Mr. Jiban Boruah | 9707850635 |
| Extension Activities Committee | Convenor | Mrs. Yasmin Khan | 9435092270 |
| Health and Sanitation Committee | Convenor | Mrs. Archana Konowar | 8876792978 |
| Eco Club | Convenor | Mr. Dhurbajyoti Bora | 7578007054 |
| Medical Cell | Convenor | Mrs. Archana konowar | 8876792978 |
| Disaster Management Cell | Convenor | Mrs. Chitra Duarah | 9435700423 |
| Literary Club | Convenor | Dr. Karabi Gogoi | 9435891233 |
| Red Ribbon club | Convenor | Mr. Pronab Saikia | 9101996073 |
| Tobacco Control Cell | Convenor | Mrs. Gita Sharma | 9435352896 |
| Punaram Gogoi Memorial Historical Museum & Research Centre | Convenor | Dr. Bikash Nath | 8011823069 |
| Career Counseling Cell | Jt. Convenor | Dr. Junti Baruah &<br>Dr. Bikash Nath | 9954939439 |
| Disposal Committee | Convenor | Mr. Dhrubajyoti Bora | 7578007054 |

# মহাবিদ্যালয়ৰ স্ব খৰচ বহন পাঠ্যক্ৰম

| Certificate Courses | Designation | Name of the Convenor | Cell No |
|---|---|---|---|
| Food Processing and Preservation | Co-ordinator | Dr. Anita Sarmah | 8876672381 |
| Skin Care and Beautician Course | Co-ordinator | Mayori Chetiya | 9435204111 |
| Retail Management | Co-ordinator | Gita Sarmah | 9435352896 |
| Cutting and Tailoring | Co-ordinator | Dr. Karabi Gogoi | 9435891233 |
| Plumbering | Co-ordinator | Jintu Rajkhowa | Cell No |

# List of Faculty Members

**Principal & Secretary :** Dr. Bijoy Krishna Pachani, *M.A., Ph.D.* *Ph. 99544-51040*

**Rector :** Mr. Sunil Bhattacharjya, *M.A.* *Ph. -94352-31872*

## ARTS

| Departments | Faculty Members | Contact No. |
|---|---|---|
| English | 1. **Mrs. Yasmin Khan,** M.A. (Head of Department) | 94350-92270 |
| | 2. **Mrs. Moyuri Chetiya,** M.A. B.Ed. | 94352-04111 |
| | 3. **Dr. Junti Boruah,** M.A., M.Phil., Ph.D. | 99549-39439 |
| | 4. **Ms. Mainu Terangpi,** M.A., M.Phil. | 90852-22174 |
| Assamese | 1. **Mrs. Archana Konwar,** M.A. (HOD) | 94350-64568 |
| | 2. **Dr. Karabi Gogoi,** M.A., M Phil., Ph.D. | 94358-91233 |
| | 3. Vacanct | |
| Economics | 1. **Dr. Binoy Brot Rajkhowa,** M.A., Ph.D.(Head of Dept.) | 97069-23409 |
| | 2. **Dr. Rubi Nath,** M.A., Ph.D. | 94354-89267 |
| | 3. **Mr. Norendra Nath Saikia,** M.A. | 94352-35425 |
| | 4. **Mr. Robin Saikia,** M.A., M Phil. | 99574-85356 |
| Education | 1. **Dr. Deepanjali Goswami,** M.A., LLB., Ph.D. | 94355-24965 |
| | 2. **Mr. Jiban Baruah,** M.A., M. Phil. (HOD) | 97078-50635 |
| | 3. **Dr. Anita Sharma M.A.,Ph.D** | |
| | 4. Vacant | |
| Political Science | 1. **Mrs. Ritanjali Saikia,** M.A. (Head of Dept.) | 94353-06907 |
| | 2. **Ms. Ranju Devi,** M.A. | 97060-38178 |
| | 3. Vacant | |
| | 4. Vacant | |
| History | 1. **Dr. Bikash Nath,** MA, Ph.D. | 80118-23069 |
| | 2. Vacant | |
| | 3. Vacant | |
| | 4. Vacant | |
| Sociology | 1. **Mr. Pronob Saikia,** M.A., M.Phil.(Head of Dept.) | 70866-63062 |
| | 2. **Ms. Nizara Baruah,** M.A., M.Phil., | 94356-41485 |
| | 3. **Ms. Mayashree Buragohain,** M.A., (Adhoc) | 78966-30810 |

## COMMERCE

| Faculty Members | Contact No. |
|---|---|
| • **Mr. Nayan Baruwati,** M.Com. (HOD) | 7002895331 |
| • **Mr. Jintoo Rajkhowa,** M.Com. | 99576-63581 |
| • **Mr. Sunil Kr. Bhattacharyya,** M.A. | 94352-34872 |
| • **Dr. Debananda Baruah,** M.Com., Ph.D. | 99543-08196 |
| • **Mrs. Chitra Duarah,** M.A, M.Phil | 94357-00423 |
| • **Mrs. Gita Sarma,** M.Com., M.Phil. | 94353-52896 |
| • **Mr. Dhrubajyoti Borah,** M.Com., M.Phil. | 98543-62354 |
| • **Dr. Abhijit Bhuyan,** M.Sc, Ph.D. | 94356-36412 |
| • Vacant | |

# List of Office & Library Staff

## Office Staff

- **Mr. Jayanta Borah,** *Junior Assistant*
- **Mrs. Nirmali Dutta,** *B.A., Junior Assistant*
- **Sri Saroj Kumar Dutta,** *B.A., Junior Assistant*
- **Sri Debajit Baruah,** *PGDCA, Junior Assistant*
- **Sri Raktim Gogoi,** *(Adhoc), Junior Assistant*
- **Sri Manash Protim Dutta,***(Adhoc),Junior Assistant*
- **Sri Jiten Saikia,** *Grade - IV*
- **Sri Riju Borbora,** *Grade - IV*
- **Sri Putul Das** *(Adhoc) Grade - IV*
- **Sri Pankaj Saikia** *(Adhoc) Grade - IV*
- **Mrs. Bina Majhi** *(Adhoc) Grade - IV*
- **Mr. Karan Bhumij** *(Adhoc) Grade - IV*

## Library Staff

- **Mrs. Kalyanee Baruah,** *Library Assistant (Adhoc)*
- **Archita Bora** *(Adhoc) Bearer*



# PROSPECTUS : 2020-21














পুনাৰাম গগৈ সভা কক্ষ
UNARAM GOGOI CONFERENCE HALL
A Lecture On
Education, Employment and Student
Participation in Development of Nation
Organised by
Institutional Values and Best Practice Criterion
In Collaboration
with IQAC, CKB College, Teok
Date : 18-03-2019


চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়ক
“স্বাস্থ্য আৰু স্বচ্ছতা কোষ”ৰ উদ্যোগত
সজাগতা সভা
আৰু “টীয়ক প্ৰেছ ক্লাব”ৰ সহযোগত
স্থান : টীয়ক বাগান
তাৰিখ : ০১/০৩/২০১৯


STUDENTS' UNION
২০১৮-১৯
হেঙুল
সম্পাদকীয়




















**Contact Details**

Phone : 94768-66847

0376-2396491 (Office)

IQAC Co-ordinator : 97069-23409

E mail : info@ckbcollegeteok.com

Website : http://www.ckbcollegeteok.com

*Printed at :*

*Lipi Offset, Jorhat*